# REGIONAL NEWS UNIT
## ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 13-03-2026
**Time :** 0900 Hrs.

## *Assamese Morning Bulletin*
## HEADLINES

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ দুদিনীয়া ভ্ৰমণসূচীৰে আজি অসম আগমন। ৪৭ হাজাৰ ৫০০ কোটি টকা ব্যয়সাপেক্ষ বহুকেইটা প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কাৰ্যসূচী।

২। ৰাজ্যত ৰন্ধন গেছৰ চিলিণ্ডাৰৰ ক'লা বজাৰ চলোৱা অসাধু চক্ৰৰ বিৰুদ্ধে ব্যৱস্থা ল'বলৈ মুখ্যমন্ত্ৰীৰ নিৰ্দেশ।

৩। বাইহাটা চাৰিআলিৰ পৰা তেজপুৰ সংযোগী ঘাইপথছোৱা চাৰিলেনযুক্ত পথলৈ উন্নীত কৰাৰ প্ৰস্তাৱত কেন্দ্ৰীয় চৰকাৰৰ অনুমোদন।

৪। প্ৰবীণ ক্ৰীড়া সাংবাদিক প্ৰেমধৰ শৰ্মাৰ দেহাৱসান।

*আৰু*

৫। এফ আই এইচ হকী মহিলা বিশ্বকাপত অংশগ্ৰহণৰ বাবে ভাৰতৰ যোগ্যতা অৰ্জন।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আজি দুদিনীয়া ভ্ৰমণসূচীৰে অসমলৈ আহিব। প্ৰধানমন্ত্ৰীয়ে এই ভ্ৰমণকালত ৪৭ হাজাৰ ৫০০ কোটি টকা ব্যয় সাপেক্ষ বহুকেইটা প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব। শ্ৰীমোদীয়ে প্ৰথমে কোকৰাঝাৰত এখন জনসভাত অংশ লৈ ৪ হাজাৰ ৫৭৪ কোটি টকা ব্যয়সাপেক্ষ কেইবাটাও আন্তঃগাঁথনি প্ৰকল্প উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব। প্ৰধানমন্ত্ৰীৰ আগমনৰ পৰিপ্ৰেক্ষিতত জিলাখনত নিৰাপত্তা ব্যৱস্থা কটকটীয়া কৰি তোলা হৈছে। কোকৰাঝাৰৰ বডোফা নগৰৰ গ্ৰীন ফিল্ডত দিনৰ আঢ়ৈ বজাত আয়োজিত অনুষ্ঠানত প্ৰধানমন্ত্ৰীয়ে বাঁশবাৰীত মালবাহী ৰে'লৰ নিয়মিত মেৰামতি কাৰখানা, কেইবাখনো উৰণ সেঁতু আৰু দুখনকৈ দলঙৰ আধাৰশিলা স্থাপন কৰিব। তেওঁ লগতে উন্নত যাতায়াত ব্যৱস্থাৰে বি টি চি এলেকাৰ উন্নয়নৰ লক্ষ্যৰে তিনিখনকৈ নতুন ৰে'লগাড়ী মুকলি কৰিব। এই প্ৰকল্পসমূহে ঔদ্যোগিক উন্নয়ন ত্বৰান্বিত কৰাৰ উপৰি নিয়োগৰ সুযোগ সৃষ্টি কৰিব বুলি আশা কৰা হৈছে।

প্ৰধানমন্ত্ৰী মোদী বিয়লি ৫ বজাত গুৱাহাটীলৈ আহিব আৰু খানাপাৰাৰ জ্যোতি-বিষ্ণু আন্তৰ্জাতিক কলা মন্দিৰত কেইবাটাও কাৰ্যসূচীত অংশ ল'ব। তেওঁ আন্তঃগাঁথনি আৰু শক্তিখণ্ডৰ উন্নয়নেৰে সবল অসম নিৰ্মাণৰ দিশত উল্লেখনীয় পদক্ষেপ হিচাপে গুৱাহাটীত ১৩ হাজাৰ ২৯০ কোটি টকা ব্যয়সাপেক্ষ বহুকেইটা প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব। প্ৰধানমন্ত্ৰীয়ে আজি ১২০ মেগাৱাট শক্তিসম্পন্ন কপিলী জলবিদ্যুৎ প্ৰকল্প, নুমলীগড়-শিলিগুড়ি প্ৰডাক্ট পাইপলাইনৰ ক্ষমতা বৃদ্ধি আৰু উত্তৰ-পূব গেছ গ্ৰীডৰ প্ৰথম পৰ্যায় উদ্বোধন কৰিব। তেওঁ লগতে নুমলীগড় শোধনাগাৰ লিমিটেডৰ ৰে'ল সংযোগী পি অ' এল টাৰ্মিনেল আৰু কেইবাটাও মুখ্য ৰে'লপথৰ বৈদ্যুতিকীকৰণ প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰিব। এই উপলক্ষে আয়োজিত অনুষ্ঠানত ৰাজ্যপাল লক্ষ্মণপ্ৰসাদ আচাৰ্য, মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল আৰু পবিত্ৰ মাৰ্ঘেৰিটাকে ধৰি ৰাজ্য চৰকাৰৰ কেইবাগৰাকীও মন্ত্ৰী উপস্থিত থাকিব। এই অনুষ্ঠানতে প্ৰধানমন্ত্ৰী মোদীয়ে মিছন বসুন্ধৰাৰ অধীনত ৰাজ্যৰ ৭০৭ খন চাহ বাগিচাত বাস কৰা ৩ লাখ ৫০ হাজাৰৰো অধিক পৰিয়ালক ভূমিপট্টা প্ৰদান কৰিব। প্ৰথম পৰ্যায়ত ২০ খন

জিলাৰ ১০৬ খন চাহ বাগিচাৰ শ্ৰমিকসকলক ভূমিপট্টা প্ৰদান কৰা হ'ব। তেওঁ লগতে প্ৰধানমন্ত্ৰী কিষাণ সন্মান নিধিৰ ২২ সংখ্যক কিস্তি মুকলি কৰিব। এই সন্দৰ্ভত সবিশেষ জনাইছে আমাৰ গুৱাহাটীৰ সংবাদদাতা হেমন্ত কুমাৰ বৰাই-

*-ভইচকাষ্ট-*

শ্ৰীমোদীয়ে কাইলৈ শিলচৰত ২৪ হাজাৰ ৫০৫ কোটি টকা ব্যয়সাপেক্ষ কেইবাটাও গুৰুত্বপূৰ্ণ প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব। প্ৰধানমন্ত্ৰীৰ ভ্ৰমণৰ বাবে শিলচৰত প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ হৈ উঠিছে।

০০০০০০০

ৰাজ্যত ৰন্ধন গেছৰ চিলিণ্ডাৰৰ ক'লা বজাৰ চলোৱা অসাধু চক্ৰৰ বিৰুদ্ধে ব্যৱস্থা ল'বলৈ মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাই কঠোৰ নিৰ্দেশ জাৰি কৰিছে। সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত কালি মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে কোনো চক্ৰই যাতে অতিৰিক্ত চিলিণ্ডাৰ ক্ৰয় কৰি ক'লা বজাৰ চলাব নোৱাৰে তাৰবাবে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ব। ইতিমধ্যে সকলো জিলাৰ আয়ুক্তলৈ এই সন্দৰ্ভত নিৰ্দেশ জাৰি কৰা হৈছে বুলি ডং শৰ্মাই প্ৰকাশ কৰে। তেওঁ লগতে কেন্দ্ৰীয় চৰকাৰে ৰন্ধন গেছৰ চিলিণ্ডাৰ বুকিঙৰ সময়সীমা বৃদ্ধি কৰিছে বুলিও জানিবলৈ দিয়ে। এই সন্দৰ্ভত অতি শীঘ্ৰেই তেওঁ জিলা আয়ুক্তসকলৰ সৈতে বৈঠকত মিলিত হ'ব বুলি প্ৰকাশ কৰে।

*-বাইট-*

উল্লেখযোগ্য যে, পশ্চিম এছিয়াৰ যুদ্ধৰ পৰিপ্ৰেক্ষিতত ইন্ধনৰ বজাৰত প্ৰভাৱ পৰাৰ ফলত বিভিন্ন ঠাইত প্ৰথমে ৰন্ধন গেছৰ নাটনিয়ে দেখা দিছে।

০০০০০০০

বাইহাটা চাৰিআলিৰ পৰা তেজপুৰ সংযোগী ঘাইপথছোৱা চাৰিলেনযুক্ত পথলৈ উন্নীত কৰাৰ প্ৰস্তাৱত কেন্দ্ৰীয় চৰকাৰে অনুমোদন জনাইছে। মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাই কালি এই কথা প্ৰকাশ কৰে। তেওঁ এই গুৰুত্বপূৰ্ণ পদক্ষেপৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক ধন্যবাদ জনায়। উল্লেখযোগ্য যে ১৩৬ কিলোমিটাৰ দৈৰ্ঘ্যৰ এই পথছোৱা চাৰি লেনলৈ উন্নীতকৰণৰ বাবে ১৫ হাজাৰ ৪৩১ কোটি টকা ধাৰ্য কৰা হৈছে। এই প্ৰকল্পৰ অধীনত প্ৰায় ৭১ কিলোমিটাৰ ব্ৰাউন ফিল্ড প্ৰসাৰণ আৰু প্ৰায় ৬৫ কিলোমিটাৰ গ্ৰীণ ফিল্ড বাইপাছ নিৰ্মাণ কৰা হ'ব। এই প্ৰকল্পই বাইহাটা চাৰিআলি আৰু তেজপুৰৰ মাজত যাতায়াত সুচল কৰি তোলাৰ লগতে বাণিজ্যিক বিকাশ আৰু উত্তৰ পাৰৰ সামগ্ৰিক উন্নয়নৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ মাইলৰ খুঁটি হিচাপে বিবেচিত হ'ব।

০০০০০০০

গুৱাহাটী উচ্চ ন্যায়ালয়ে আজি শিল্পী জুবিন গাৰ্গৰ মৃত্যুৰ তদন্ত এখন স্বতন্ত্ৰ, আদালতৰ জৰিয়তে নিৰীক্ষণ কৰাৰ বাবে জনোৱা ৰাজহুৱা স্বাৰ্থ জড়িত আৱেদনৰ শুনানি গ্ৰহণ কৰিব। আৱেদনকাৰীসকলে, এছ আই টিৰ তদন্তৰ পাছতো প্ৰাৰম্ভিক তদন্তত অনিয়ম সংঘটিত হোৱাৰ অভিযোগ উত্থাপন কৰাৰ ফলত আদালতে এই গোচৰটো অধিক তীক্ষ্ণভাৱে নিৰীক্ষণ কৰিবলৈ বাধ্য হৈছে।

ইপিনে, জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যু সন্দৰ্ভত ছিংগাপুৰৰ ক'ৰনাৰ্ছ আদালতে আজি চূড়ান্ত ৰায়দান কৰিব। বিয়লি ৫ বজাত এই ৰায়দান কৰা হ'ব।

০০০০০০০

এডভাণ্টেজ আছামৰ দ্বিতীয় পৰ্যায়ত প্ৰদান কৰা প্ৰতিশ্ৰুতিৰ বাস্তৱ ৰূপ দিয়াৰ উদ্দেশ্যে অসম চৰকাৰে দেশৰ ৬৯ টা আগশাৰীৰ ব্যৱসায়িক গোষ্ঠীৰ সৈতে বিনিয়োগ নিশ্চিতকৰণ চুক্তিত স্বাক্ষৰ কৰিছে। গুৱাহাটীৰ শ্ৰীশ্ৰীদামোদৰ দেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত কালি বিয়লি আয়োজিত অনুষ্ঠানত মুঠ ২ লাখ ৫০ হাজাৰ কোটি টকাৰ বিনিয়োগৰ বাবে স্বাক্ষৰ কৰা হয়। অনুষ্ঠানত দিয়া ভাষণত মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাই কয়, যে চাহৰ পৰা ছেমি কণ্ডাক্টৰ চিপ্ ছলৈ অসমৰ লক্ষ্য স্পষ্ট হৈ আছে। এখন উন্নত আৰু শক্তিশালী অসম গঢ় দি বিকশিত ভাৰতৰ যাত্ৰাৰ অন্যতম অংশীদাৰ হোৱাটোৱেই চৰকাৰৰ লক্ষ্য বুলি তেওঁ উল্লেখ কৰে। ডং শৰ্মাই কয়, যে দেশৰ আগশাৰীৰ ব্যৱসায়িক

প্ৰতিষ্ঠানসমূহৰ সৈতে অংশীদাৰিত্বৰ জৰিয়তে অসম ক্ৰমান্বয়ে উদ্যোগ আৰু উদ্ভাৱনৰ কেন্দ্ৰ হ'বলৈ আগবাঢ়িছে। ইয়াৰ ফলত ঔদ্যোগিক বিকাশ বৃদ্ধি পোৱাৰ উপৰি নিয়োগৰ সুযোগ সৃষ্টি হ'ব আৰু ৰাজ্যখনৰ অৰ্থনীতি শক্তিশালী হ'ব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। অসমৰ বাহিৰত বিভিন্ন খণ্ডত ৰাজ্যখনৰ বহুসংখ্যক যুৱক-যুৱতী নিয়োজিত হৈ আছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয়, যে ৰাজ্যত বিনিয়োগৰ পৰিৱেশ সৃষ্টি কৰি কৃষিৰ আধুনিকীকৰণ আৰু সেৱাখণ্ডৰ বিকাশৰ যোগেদি এই যুৱক-যুৱতীসকলক অসমলৈ ঘূৰাই অনাৰ লক্ষ্য লোৱা হৈছে।

*-বাইট-*

০০০০০০০

ৰাজ্যৰ প্ৰবীণ ক্ৰীড়া সাংবাদিক, বিশিষ্ট ক্ৰীড়া সংগঠক, প্ৰেমধৰ শৰ্মাৰ দীৰ্ঘদিনীয়া অসুস্থতাৰ অন্তত কালি নিশা দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৮৬ বছৰ। আছাম ট্ৰিবিউন কাকতত ক্ৰীড়া সাংবাদিকতাৰে ৰাজ্যৰ ক্ৰীড়া সাংবাদিকতালৈ অনবদ্য বৰঙণি আগবঢ়োৱা শৰ্মাৰ বিয়োগত সংবাদ জগতৰ লগতে ক্ৰীড়া ক্ষেত্ৰতো শোকৰ ছাঁ পৰিছে। ১৯৭০ৰ পৰা ১৯৯৫ চনলৈ বৰদলৈ ট্ৰফী, স্বাধীনতা দিৱস কাপ, এ টি পি এ শ্বিল্ড ফুটবল প্ৰতিযোগিতাৰ চলন্ত বিৱৰণী জনপ্ৰিয় কৰাত শৰ্মাই বিশেষ ভূমিকা গ্ৰহণ কৰিছিল। আকাশবাণীৰ ক্ৰীড়া বিভাগৰ সৈতেও তেওঁ বিশেষভাৱে জড়িত হৈ আছিল। ক্ৰীড়া সাংবাদিকতাৰ বাবে দেশ বিদেশ ভ্ৰমণ কৰা শৰ্মা অসম অলিম্পিক সন্থা, অসম ফুটবল সন্থা, অসম কাবাডী সন্থা, অসম টেবুল টেনিছ সন্থা, গুৱাহাটী প্ৰেছ ক্লাব, সদৌ অসম ফুটবল ৰেফাৰী সন্থা, অসম ক্ৰিকেট সন্থা, গুৱাহাটী ক্ৰীড়া সন্থা, সৰ্বভাৰতীয় ক্ৰীড়া সাংবাদিক সন্থাৰ সৈতে ওতঃপোতভাৱে জড়িত হৈ আছিল। তেওঁ ফুটবলৰ ৰাষ্ট্ৰীয় পৰ্যায়ৰ ৰেফাৰীও আছিল। প্ৰেমধৰ শৰ্মাৰ মৃত্যুৰ সদৌ অসম পেঞ্চনাৰ সন্থা, পুলিন দাস সোঁৱৰণী সমিতি, সদৌ অসম সংবাদকৰ্মী সন্থা, গুৱাহাটী প্ৰেছ ক্লাব, গুৱাহাটী টেনিছ সন্থা আদি বিভিন্ন দল-সংগঠনে শোকপ্ৰকাশ কৰিছে।

০০০০০০০

আশা স্বাস্থ্যকৰ্মীসকলৰ কাম-কাজ নিয়াৰিকৈ চলোৱাৰ ক্ষেত্ৰত সহায় কৰাৰ উদ্দেশ্যে জিলা স্বাস্থ্য সমিতিৰ লখিমপুৰৰ উদ্যোগত কালি মোবাইল ফোন বিতৰণ কৰা হয়। লখিমপুৰ বিধানসভা সমষ্টিৰ আশাকৰ্মী আৰু আশা ছুপাৰ ভাইজাৰসকলৰ মাজত এই ফোনসমূহ বিতৰণ কৰা হয়। এই উপলক্ষে আয়োজিত অনুষ্ঠানত স্থানীয় বিধায়ক মানৱ ডেকাৰ লগতে স্বাস্থ্য বিভাগৰ বিষয়া আৰু আশাকৰ্মীসকলৰ উপস্থিত থাকে।

০০০০০০০

আকাশবাণী গুৱাহাটীৰ দৃষ্টিপাত অনুষ্ঠানত কাইলৈ নিশা ৮ বাজি ২ মিনিটত **বায়ু প্ৰদূষণজনিত বিভিন্ন ৰোগ আৰু ইয়াৰ প্ৰতিকাৰ** শীৰ্ষক এটা আলোচনা প্ৰচাৰ কৰা হ'ব। অনুষ্ঠানত কামৰূপ মহানগৰ জিলাৰ জলবায়ু পৰিৱৰ্তন আৰু মানৱ স্বাস্থ্য বিষয়ক ৰাষ্ট্ৰীয় কাৰ্যসূচীৰ ন'ডেল বিষয়া **ডাঃ কনক চন্দ্ৰ তালুকদাৰ** আৰু প্ৰদূষণ নিয়ন্ত্ৰণ পৰিষদ অসমৰ মুখ্য পৰিৱেশ বিজ্ঞানী **গৌতম কৃষ্ণ মিশ্ৰ** উপস্থিত থাকিব। অনুষ্ঠানটোৰ আঁত ধৰিব জিণ্টী ৰাণী ডেকাই।

০০০০০০০

ডিব্ৰুগড় বিজ্ঞান কেন্দ্ৰত কালি শস্যৰ জাতসমূহৰ সুৰক্ষা সম্পৰ্কে সজাগতা বৃদ্ধিৰ লক্ষ্যৰে কালি প্ৰশিক্ষণ আৰু সজাগতা কাৰ্যসূচী অনুষ্ঠিত হয়। অনুষ্ঠানত উদ্ভিদৰ বৈশিষ্ট্য আৰু কৃষকৰ অধিকাৰ আইন সম্পৰ্কেও কৃষকসকলক অৱগত কৰোৱা হয়। ডিব্ৰুগড় জিলাৰ বিভিন্ন উন্নয়নখণ্ডৰ প্ৰায় ১০০ গৰাকীতকৈ অধিক কৃষকে ইয়াত অংশগ্ৰহণ কৰে। যোৰহাট অসম কৃষি বিশ্ববিদ্যালয়ৰ উদ্ভিদ প্ৰজনন আৰু জেনিটিক্স বিভাগৰ মুৰব্বী ড° কিশোৰা কুমাৰ শৰ্মা, অৱসৰপ্ৰাপ্ত অধ্যাপক ড° প্ৰকাশ বৰা, তিনিচুকীয়া শস্য গৱেষণা কেন্দ্ৰ মুখ্য বিজ্ঞানী ড° বিজিত সাউদ সমল ব্যক্তি হিচাপে উপস্থিত থাকে।

০০০০০০০

ভাৰতে ২০২৬ৰ এফ আই এইচ হকী মহিলা বিশ্বকাপত অংশগ্ৰহণৰ বাবে যোগ্যতা অৰ্জন কৰিছে। হায়দৰাবাদত চলি থকা কোৱালিফায়িং প্ৰতিযোগিতাৰ চেমিফাইনেলত প্ৰৱেশ কৰাৰ লগে লগে হকী বিশ্বকাপত ভাৰতৰ অংশগ্ৰহণ নিশ্চিত হৈ পৰে। হায়দৰাবাদত আজি অনুষ্ঠিত হ'বলগীয়া চেমিফাইনেলত ভাৰত ইটালীৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। এইবাৰ নৱমবাৰৰ বাবে ভাৰতে  এফ আই এইচ মহিলা বিশ্বকাপত অংশগ্ৰহণৰ সুযোগ লাভ কৰে। নিয়ম অনুসৰি হায়দৰাবাদ আৰু ছিলিৰ ছান্তিয়াগোত চলি থকা এফ আই এইচ হকী মহিলা বিশ্বকাপৰ কোৱালিফায়িং খেলসমূহৰ পৰা শীৰ্ষ স্থানৰ সাতটা দলক সমাগত মহিলা হকী বিশ্বকাপত অংশগ্ৰহণৰ বাবে নিৰ্বাচিত কৰা হয়।

০০০০০০০

***News Paper Review***

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আজি দুদিনীয়া ভ্ৰমণসূচীৰে অসমলৈ আহি ভ্ৰমণ কালত ৪৭ হাজাৰ ৫০০ কোটি টকা ব্যয় সাপেক্ষ বহুকেইটা প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব। এই বাতৰিটো **দৈনিক অসম, দি আছাম ট্ৰিবিউন, অসমীয়া খবৰ**কে ধৰি আজি গুৱাহাটীৰ পৰা প্ৰকাশিত প্ৰায় আটাইকেইখন বাতৰি কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

ৰাজ্যৰ উচ্চ  ন্যায়ালয়ৰ নিৰ্দেশ অনুসৰি ৰাজ্য চৰকাৰে বিদেশী ন্যায়াধীকৰণসমূহৰ আন্তঃগাঁথনি সন্দৰ্ভত দাখিল কৰা এখন প্ৰতিবেদনৰ বাতৰি **অসমীয়া প্ৰতিদিন** কাকতে মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে। এই প্ৰতিবেদন অনুসৰি ভালেসংখ্যক বিদেশী ন্যায়াধীকৰণৰ অৱস্থা অতি শোচনীয়।

২৫ মেট্ৰিক টন জি আই টেগ প্ৰাপ্ত জহা চাউল ৰাজ্যৰ পৰা ব্ৰিটেইন আৰু ইটালীলৈ ৰপ্তানি কৰাৰ এটা বাতৰি **নিয়মীয়া বাৰ্তা** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

খানাপাৰাৰ পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয়ৰ খেলপথাৰত আয়োজিত এটা অনুষ্ঠানত মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই শিক্ষা বিভাগ আৰু শক্তিখণ্ডৰ অধীনত ৫ হাজাৰ ৭৫৪ গৰাকী প্ৰাৰ্থীক নিযুক্তি পত্ৰ প্ৰদান কৰাৰ বাতৰিটো **আমাৰ অসম** কাকতে আলোকচিত্ৰসহ প্ৰকাশ কৰিছে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ উপস্থিতিত খানাপাৰাস্থিত জ্যোতিবিষ্ণু কলামন্দিৰত আয়োজিত অনুষ্ঠানত চাহ বাগিচাৰ শ্ৰমিক পৰিয়ালক লেবাৰ লাইন ভূমি বন্দোবস্তিৰ ডিজিটেল পট্টা বিতৰণ কৰা হ'ব। এই বাতৰিটোক **দৈনিক জনমভূমি** আৰু **দৈনিক অগ্ৰদূত** কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

এডভাণ্টেজ আছামৰ দ্বিতীয় পৰ্যায়ত প্ৰদান কৰা প্ৰতিশ্ৰুতি অনুসৰি ৰাজ্য চৰকাৰ আৰু বিনিয়োগকাৰীৰ মাজত কালি ৩ লাখ কোটি টকা ব্যয় সাপেক্ষ এখন বুজাবুজিৰ চুক্তি স্বাক্ষৰিত হোৱাৰ বাতৰিটো **দ্য চেণ্টিনেল** কাকতে মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে।

০০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত পুৱাৰ ভাগত বতৰ আংশিকভাৱে ডাৱৰীয়া হোৱাৰ লগতে পাতলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে। ৰাজ্যখনৰ কোনো কোনো অঞ্চলত আজি বিজুলী, ঢেৰেকনিৰে বৰষুণ হোৱাৰ লগতে ধুমুহা বলাৰো আশংকা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ২৫ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ২১ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অৰুণাচল আৰু অসমত ঠাই বিশেষে প্ৰৱল বৰষুণ হ'ব বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

০০০০০০০

**সমাপ্ত**